NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-03-2024
**Time :** 13-40 hrs

*Assamese Evening Bulletin*

**HEADLINES**

০০০০০০০

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পুৱা গুজৰাটৰ আহমেদাবাদত ৮৫ হাজাৰ কোটিৰো অধিক টকা ব্যয়সাপেক্ষ কেইবাটাও ৰে'ল প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

২। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ২০১৪ চনৰ পাছত ৰাজ্যত প্ৰৱেশ কৰা এগৰাকী ব্যক্তিয়েও নাগৰিকত্ব লাভ নকৰে বুলি স্পষ্ট কৰি দিছে।

৩। চৰকাৰে ২০১৯ চনৰ নাগৰিকত্ব সংশোধনী আইনৰ অধীনত ভাৰতীয় নাগৰিকত্বৰ বাবে যোগ্য বুলি বিবেচিত ব্যক্তিসকলৰ বাবে এটা নতুন প'ৰ্টেল মুকলি কৰিছে।

৪। ভাৰতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অৰুণাচল প্ৰদেশ ভ্ৰমণক লৈ চীনে কৰা মন্তব্যক প্ৰত্যাখ্যান কৰিছে।

*আৰু*

৫। মুম্বাই ইণ্ডিয়ানছ আজি নতুন দিল্লীত হ'বলগীয়া মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালোৰৰ মুখামুখি হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পুৱা গুজৰাটৰ আহমেদাবাদত ৮৫ হাজাৰ কোটিৰো অধিক টকা ব্যয়সাপেক্ষ কেইবাটাও ৰে'ল প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে আহমেদাবাদ-মুম্বাই চেণ্ট্ৰেল, ছিকণ্ডৰাবাদ-বিশাখাপট্টনম, মহীশুৰ-ড০ এম জি আৰ চেণ্ট্ৰেল, পাটনা-লক্ষ্ণৌ, নিউ-জলপাইগুৰি-পাটনা, পুৰী-বিশাখাপট্টনম, লক্ষ্ণৌ-ডেহৰাডুন, কলবুৰ্গি-ছাৰ, এম বিশ্বেশ্বৰইয়া টাৰ্মিনেল বাংগালুৰু, ৰাঁচী-বাৰাণসী, খজুৰা-দিল্লী নিজামুদ্দিনসহ ১০ খন নতুন বন্দে ভাৰত ৰে'ল গাড়ীৰ যাত্ৰাৰ শুভাৰম্ভ কৰে। শ্ৰীমোদীয়ে লগতে বৰ্তমানৰ চাৰিখন বন্দে ভাৰত ৰে'ল গাড়ীৰ দ্বাৰকা পৰ্য্যন্ত সম্প্ৰসাৰিত যাত্ৰাৰো শুভাৰম্ভ কৰে।

এই উপলক্ষে প্ৰধানমন্ত্ৰীয়ে কয় যে, এন ডি এ চৰকাৰে ভাৰতীয় ৰে'লৱেৰ উন্নয়নক অগ্ৰাধিকাৰ দি আহিছে। তেওঁ কয় যে, পূৰ্বৰ চৰকাৰসমূহৰ দিনত ৰাজনৈতিক স্বাৰ্থৰ বলি হোৱা ভাৰতীয় ৰে'লৱেৰ বিগত ১০ বছৰত আমূল পৰিৱৰ্তন সাধন হৈছে। প্ৰধানমন্ত্ৰীয়ে লগতে কয় যে, ক্ষমতালৈ অহাৰ পাছৰে পৰা তেওঁৰ চৰকাৰে ৰে'ল নেটৱৰ্কৰ সম্প্ৰসাৰণ, ৰে'ল আন্তঃগাঁথনিৰ আধুনিকীকৰণ, যাত্ৰীৰ সুবিধা বৃদ্ধি আৰু ৰে'ল প্লেটফৰ্মত দেশতে নিৰ্মিত সামগ্ৰীৰ বিক্ৰীৰ প্ৰসাৰৰ বাবে অক্লান্তভাৱে কাম কৰি আহিছে। তেওঁ ভাৰতীয় ৰে'লৱেক আত্ম-নিৰ্ভৰ ভাৰতৰ শক্তিশালী মাধ্যম বুলি অভিহিত কৰে।

ভাৰতবৰ্ষক এখন যুৱ-ৰাষ্ট্ৰ বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, আজি উদ্বোধন কৰা প্ৰকল্পসমূহ দেশৰ যুৱ প্ৰজন্মৰ বাবে উপহাৰস্বৰূপ আৰু আধাৰিশিলা স্থাপন কৰা প্ৰকল্পসমূহ ভৱিষ্যৎ প্ৰজন্মৰ উজ্জ্বল ভৱিষ্যতৰ অংগীকাৰস্বৰূপ। প্ৰধানমন্ত্ৰীয়ে সুকীয়া মালবাহী ক'ৰিডৰৰ দুটা খণ্ড মুকলি কৰে আৰু ৫১ টা গতি শক্তি বহুমুখী মালবাহী কেন্দ্ৰ আৰু ডেৰ হাজাৰৰো অধিক এটা ষ্টেচন- এবিধ সামগ্ৰী বিপণী ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰে। অনুষ্ঠানত শ্ৰীমোদীয়ে ২০ হাজাৰ কোটি টকা মূল্যৰ কেইবাটাও পেট্ৰ'-ৰাসায়নিক প্ৰকল্পৰৰো উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

তেওঁ গান্ধী আশ্ৰম স্মাৰকৰ পৰিকল্পনাৰো শুভাৰম্ভ কৰে। আহমেদাবাদৰ অভয়ঘাটত পৰিকল্পনাৰ শুভাৰম্ভ কৰি শ্ৰীমোদীয়ে কয় যে, নিজৰ ঐতিহ্য সংৰক্ষিত কৰিব নোৱাৰা এখন দেশে ভৱিষ্যতো হেৰুৱাবলগীয়া হয়। এই অনুষ্ঠানতে শ্ৰীমোদীয়ে নতুনকৈ বিকশাই তোলা কোচৰাও আশ্ৰমো মুকলি কৰে। ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ সময়ত সাবৰমতী আশ্ৰমে পালন কৰা গুৰুত্বপূৰ্ণ ভূমিকাৰ কথা উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে, বৰ্তমান আশ্ৰমখন উন্নত ভাৰতৰ তীৰ্থস্থান হৈ পৰিছে। দেশৰ সকলো ঐতিহাসিক স্থানৰ সংৰক্ষণৰ বাবে বৰ্তমান চৰকাৰ বদ্ধপৰিকৰ বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে।

সাবৰমতী আশ্ৰম পৰিকল্পনাৰ অধীনত ২৫ একৰ ভূমি সামৰি থকা আশ্ৰমখন ৫৫ একৰলৈ সম্প্ৰসাৰিত কৰা হ'ব। ইয়াৰ উপৰি গান্ধীজীৰ জীৱনৰ বিভিন্ন দিশ আৰু আশ্ৰমৰ ঐতিহ্য প্ৰদৰ্শনৰ বিভিন্ন কাৰ্য্য-কলাপ আৰু পাৰস্পৰিক অভিজ্ঞতা বিষয়ক প্ৰদৰ্শনীৰ সুবিধা থাকিব।

০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ২০১৪ চনৰ পাছত ৰাজ্যত প্ৰৱেশ কৰা এগৰাকী ব্যক্তিয়েও নাগৰিকত্ব লাভ নকৰে বুলি স্পষ্ট কৰি দিছে। শিৱসাগৰত আজি পুৱা সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে, যিসকল লোকৰ নাম ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীত অন্তৰ্ভুক্ত কৰা হোৱা নাই অকল তেওঁলোকেহে নাগৰিকত্ব সংশোধনী আইনৰ ব্যৱস্থা অনুসৰি, সুফল লাভ কৰিব। ড০ শৰ্মাই কয় যে, ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ বাবে আবেদন নকৰা কোনো ব্যক্তিয়ে যদি নাগৰিকত্ব সংশোধনী আইনৰ যোগেদি উপকাৰ লাভ কৰে, তেন্তে তেওঁ মুখ্যমন্ত্ৰীৰ পদ লাভ কৰিব। তেওঁ কয় যে, জনসাধাৰণে এতিয়া কিমান গৰাকী বিদেশীয়ে নাগৰিকত্বৰ বাবে আবেদন কৰিব সেই বিষয়ে জানিব পাৰিব আৰু ৪৫ দিনৰ পাছতহে স্থিতি স্পষ্ট হৈ পৰিব। ইপিনে, নাগৰিকত্ব সংশোধনী আইন বলবৎ কৰাৰ প্ৰতিবাদত কেইটামান সংগঠনে প্ৰতিবাদ সাব্যস্ত কৰিছে। আইনখন বলবৎ হোৱাৰ প্ৰতিবাদত কংগ্ৰেছ নেতৃত্বাধীন ১৬ টা দলৰ বিৰোধী ঐক্যমঞ্চই আজি ৰাজ্যজোৰা হৰতাল ঘোষণা কৰিছে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই নাগৰিকত্ব সংশোধনী আইন বলবৎ কৰাৰ বিৰুদ্ধে হৰতাল আৰু প্ৰতিবাদ সাব্যস্ত কৰা ৰাজনৈতিক দলসমূহৰ পঞ্জীয়ন বাতিল কৰা হ'ব পাৰে বুলি সঁকিয়াই দিছে। তেওঁ কয় যে, এনে

ধৰণৰ প্ৰতিবাদক যোৱা বছৰ ১৯ মাৰ্চত গুৱাহাটী উচ্চ ন্যায়ালয়ে দিয়া ৰায়ৰ উলংঘন বুলি গণ্য কৰা হ'ব। ইফালে, সদৌ অসম ছাত্ৰ সন্থাই নাগৰিকত্ব সংশোধনী আইনৰ বিৰুদ্ধে আজি উচ্চতম ন্যায়ালয়ত এখন আবেদন দাখিল কৰিছে। ৰাজ্যখনত অপ্ৰীতিকৰ ঘটনা ৰোধ কৰাৰ উদ্দেশ্যে সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে।

ooooooo

চৰকাৰে ২০১৯ চনৰ নাগৰিকত্ব সংশোধনী আইনৰ অধীনত ভাৰতীয় নাগৰিকত্বৰ বাবে যোগ্য বুলি বিবেচিত ব্যক্তিসকলৰ বাবে এটা নতুন প'ৰ্টেল মুকলি কৰিছে। আবেদন কৰিব বিচৰা ব্যক্তিসকলে <https://indiancitizenshiponline.nic.in>লগ ইন কৰিব পাৰিব। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে মোবাইল এপৰ জৰিয়তে আবেদনৰ ব্যৱস্থা কৰাৰ বাবে চি এ এ টু থাউজেণ্ড নাইণ্টিন নামৰ এটা এপ মুকলি কৰিব। কালি ২০১৯ চনৰ নাগৰিকত্ব সংশোধনী আইনৰ অধীনত নাগৰিকত্ব সংশোধন নিয়মাৱলীৰ অধিসূচনা জাৰি কৰা হৈছে। নাগৰিকত্ব সংশোধনী আইন অনুসৰি, আফগানিস্তান, বাংলাদেশ আৰু পাকিস্তানৰ সংখ্যালঘূ হিন্দু, শিখ, বৌদ্ধ, জৈন, পাৰ্চী আৰু খ্ৰীষ্টান সম্প্ৰদায়ৰ লোকসকল ভাৰতীয় নাগৰিকত্বৰ বাবে যোগ্য বুলি বিবেচিত হ'ব। নাগৰিকত্ব সংশোধনী আইনে ২০১৯ চনৰ ১২ ডিচেম্বৰত ইতিমধ্যে ৰাষ্ট্ৰপতিৰ অনুমোদন লাভ কৰিছে।

ooooooo

ভাৰতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অৰুণাচল প্ৰদেশ ভ্ৰমণক লৈ চীনে কৰা মন্তব্যক প্ৰত্যাখ্যান কৰিছে। বিদেশ মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কৈছে যে, অৰুণাচল প্ৰদেশ ভাৰতৰ অবিচ্ছেদ্য অংগ আছিল, আছে আৰু সদায় থাকিব। শ্ৰীজয়ছোৱালে কয় যে, ভাৰতীয় নেতাসকলে দেশৰ আন ৰাজ্যৰ দৰে অৰুণাচল প্ৰদেশো ভ্ৰমণ কৰে। এয়া কোনো নতুন কথা নহয়। চীনা পক্ষক বিভিন্ন উপলক্ষ্যত এই স্থিতিৰ বিষয়ে অৱগত কৰোৱা হৈছে বুলি তেওঁ উল্লেখ কৰে।

ooooooo

আকাশবাণীৰ বাতৰি সেৱা বিভাগে পূৰ্ণকালীন চুক্তিভিত্তিত আকাশবাণীৰ আঞ্চলিক বাতৰি বিভাগৰ বাবে Editorial Executive-News Reader cum Translator পদৰ বাবে অভিজ্ঞতা সম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন পত্ৰ বিচাৰিছে। পদৰ সংখ্যা দুটা আৰু চুক্তিৰ প্ৰাৰম্ভিক ম্যাদ দুবছৰ। আবেদন পত্ৰ দাখিলৰ শেষ তাৰিখত প্ৰাৰ্থীৰ বয়স ৫৮ বছৰতকৈ কম হ'ব লাগিব। প্ৰতি মাহে দৰমহা নিৰিখ ৪০ হাজাৰৰ পৰা ৫০ হাজাৰ টকা। আৱশ্যকীয়  অৰ্হতা- প্ৰাৰ্থী যিকোনো বিষয়ৰ স্নাতক হোৱাৰ লগতে কোনো বাতৰি সংস্থা বা প্ৰকাশন গোষ্ঠীত ৩ বছৰতকৈ অধিক কাম কৰাৰ অভিজ্ঞতা থাকিব লাগিব। বিতং তথ্যৰ বাবে ইচ্ছুক প্ৰাৰ্থীয়ে আমাৰ ৱেবছাইট newsonair.gov.in/vacancies চাব পাৰে। আবেদনপত্ৰ দাখিলৰ অন্তিম তাৰিখ ১৯ মাৰ্চ ধাৰ্য কৰা হৈছে।

ooooooo

ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থা চমুকৈ নিয়াই সন্ত্ৰাসবাদী - গেংষ্টাৰৰ আক্ৰমণ সন্দৰ্ভত বিভিন্ন ৰাজ্যৰ ৩০ টাকৈ স্থানত ব্যাপক তালাচী চলাই আছে। উল্লেখযোগ্য যে, পঞ্জাৱ, হাৰিয়াণা, ৰাজস্থান, মধ্য প্ৰদেশৰ লগতে কেন্দ্ৰীয়শাসিত অঞ্চল চণ্ডীগড়তো তালাচী চলাই থকা হৈছে বুলি জানিব পৰা গৈছে।

ooooooo

ফ্ৰান্স চৰকাৰে আজি চৰকাৰৰ বিভিন্ন ধৰণৰ সেৱাসমূহৰ অভূতপূৰ্ব তীব্ৰতাৰে চাইবাৰ আক্ৰমণক লক্ষ্য কৰি লৈ অনলাইন সেৱাসমূহ পুনৰুদ্ধাৰ কৰাৰ বাবে এটা বিশেষ সংকট কেন্দ্ৰ সক্ৰিয় কৰি তোলা হৈছে বুলি প্ৰকাশ কৰে। ফ্ৰান্সৰ প্ৰধানমন্ত্ৰী গেব্ৰিয়েল আটালৰ কাৰ্য্যালয়ে বিবৃতিযোগে চাইবাৰ আক্ৰমণসমূহ ৰবিবাৰে ৰাতি কোনো বিশদ বিৱৰণ নিদিয়াকৈ চৰকাৰৰ বিভিন্ন মন্ত্ৰ্যালয়সমূহক লক্ষ্য কৰি লোৱা বুলি প্ৰকাশ কৰে। তেওঁলোকে কয় যে, অধিকাংশ সেৱাৰ ওপৰত হোৱা আক্ৰমণ কিছু পৰিমাণে কমিছে আৰু চৰকাৰী চাইটসমূহ পুনৰুদ্ধাৰ কৰা হৈছে। উল্লেখযোগ্য যে, বেনামী চুডান নামৰ হেকাৰৰ এটা দলে সামাজিক মাধ্যমৰ জৰিয়তে চাইবাৰ আক্ৰমণৰ ঘটনা স্বীকাৰ কৰে। ইপিনে, ফ্ৰান্সৰ চৰকাৰী অধিকাৰীয়ে প্ৰকাশ কৰা অনুযায়ী আক্ৰমণকাৰীসকলৰ এই আক্ৰমণ সাধাৰণ বুলি প্ৰকাশ কৰি কোনো এটা চাইটক তথ্যৰে ভৰাই নিষ্ক্ৰিয় কৰা কাৰ্য্যটো অন্তৰ্ভুক্ত হৈ আছিল। আনহাতে, ফ্ৰান্স চৰকাৰে অলিম্পিকৰ আগতে আৰু ২০২১ চনত চিকিৎসালয়সমূহৰ লগতে সাম্প্ৰতিক বৰ্ষসমূহত চাইবাৰ আক্ৰমণ ৰোধ কৰাৰ বাবে বিভিন্ন পন্থা গ্ৰহণ কৰা হৈছে বুলি উল্লেখ কৰে।

০০০০০০০

মুম্বাই ইণ্ডিয়ানছ আজি নতুন দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত হ'বলগীয়া মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালোৰৰ মুখামুখি হ'ব। ইপিনে একেখন ষ্টেডিয়ামতে কালি অনুষ্ঠিত এখন খেলত গুজৰাট জায়েণ্টছে ইউ পি ৱাৰিয়ৰ্ছক ৮ ৰানত পৰাস্ত কৰে। প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ গুজৰাটে নিৰ্ধাৰিত ২০ অভাৰত ৮ উইকেটৰ বিনিময়ত ১৫২ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ইউ পি ৱাৰিয়ৰ্ছে নিৰ্ধাৰিত ২০ অভাৰত ৫ উইকেটৰ বিনিময়ত ১৪৪ ৰান কৰিবলৈ সমৰ্থ হয়। এই পৰ্যন্ত গুজৰাটে ৭ খন খেলৰ ভিতৰত দুখনত জয়লাভ কৰি চাৰি পইণ্ট লাভ কৰিছে যদিও এতিয়াও পইণ্ট তালিকাৰ শেষত আছে। ইউ পি ৱাৰিয়ৰ্ছ তিনিখন খেলত জয়লাভ কৰি মুঠ ছয় পইণ্টেৰে তালিকাৰ চতুৰ্থ স্থানত আছে।

০০০০০০০

সমাপ্ত